জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নংঃ ৮৪৮/২০২০**

**বেবেজীয়া চাৰিআলিৰ পৰা বৰ্ষামুখ সংযোগী পথৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে**

# পথ যোগাযোগ ব্যৱস্থাৰ উন্নতি সাধন অবিহনে সামাজিক বিকাশ সম্ভৱ নহয় ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৪ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ বেবেজীয়াত ৯.৫০ কিঃমিঃ দৈৰ্ঘ্যৰ বেবেজীয়া চাৰিআলিৰ পৰা বৰ্ষামুখ সংযোগী পথছোৱাৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে। উল্লেখ্য যে ২০২০-২১ বৰ্ষৰ আৰ আই ডি এফ আৰু ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ পুঁজিৰ অধীনত এই পথছোৱা নিৰ্মাণ কৰা হ'ব।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে পথ যোগাযোগ ব্যৱস্থাৰ উন্নতি সাধন অবিহনে সমাজ এখনৰ বিকাশ সাধন কৰাটো সম্ভৱ নহয়। সেইবাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে শাসন ক্ষমতালৈ আহিয়েই পথৰ উন্নয়ন সাধন কৰাৰ লগতে নতুন নতুন পথ নিৰ্মাণৰ বাবে পদক্ষেপ গ্ৰহণ কৰে যাতে ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ পথ যোগাযোগ ব্যৱস্থা সুচলতৰ হৈ উঠে। তেওঁ লগতে কয় যে অৰ্থনৈতিক উন্নয়ন সাধনত পথ যোগাযোগ ব্যৱস্থাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সেইবাবে ৰাজ্য চৰকাৰে ৰাজ্যৰ অৰ্থনৈতিক অৱস্থা শক্তিশালীকৰণৰ লক্ষ্যৰে পথ যোগাযোগ ব্যৱস্থা শক্তিশালী কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে আজি নিৰ্মাণৰ কাৰ্যৰ শুভাৰম্ভ কৰা পথছোৱা যাতে সফলতাৰে সম্পূৰ্ণ কৰিব পৰা যায় তাৰ বাবে ঢকুৱাখনাৰ স্থানীয় জনসাধাৰণক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে খিলঞ্জীয়া জনসাধাৰণৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে ১ লাখৰো অধিক খিলঞ্জীয়া লোকক ভূমিপট্টা প্ৰদান কৰিছে। অহা জানুৱাৰী মাহত আৰু ১ লাখ খিলঞ্জীয়া লোকক ভূমিপট্টা প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, সাংসদ প্ৰদান বৰুৱা আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰী সোণোৱালে ঢকুৱাখনা মহকুমাৰ শ্ৰীশ্ৰী বাসুদেৱ থান নৰোৱা সত্ৰৰ মুখ্য প্ৰৱেশ দ্বাৰৰ শুভ উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে দ্বাৰ উন্মোচন কৰি সত্ৰখন পৰিদৰ্শন কৰে আৰু ৰাজ্যৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ কল্যাণৰ বাবে প্ৰাৰ্থনা জনায়।

**সুঃদঃ**
**২৪/১২/২০২০**